# খোতবা জুমা

**আঁ-হজৰত (ছাঃ)ৰ মহান মৰ্যাদাপ্ৰাপ্ত বদৰী চাহাবা হজৰত বিলাল বিন ৰাবাহ (ৰাঃ)ৰ গুণাৱলী আৰু ঈমান উদ্দীপক ঘটনা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ১১ চেপ্তেম্বৰ ২০২০ চনত মছজিদ মুবাৰক ,ইছলামাবাদ (ব্ৰিটেইন)ত প্ৰদান কৰা খোতবা জুমাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাশাহুদ তাউয আৰু চুৰা ফাতিহা পাঠৰ পিছত হজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, আজি মই যিজন বদৰী চাহাবাৰ বিষয়ে উল্লেখ কৰিম তেখেত হ'ল হজৰত বিলাল বিন ৰাবাহ। হজৰত বিলাল উমায়া বিন খালফৰ কৃততাস আছিল। হজৰত বিলাল (ৰাঃ)ৰ ৰং ঘেহু, ক'লা বৰণৰ আছিল। অতি ক্ষীণ, মূৰৰ চুলি ঘন আছিল আৰু গালত মাংস বহুত কম আছিল। হজৰত বিলাল (ৰাঃ) বহু কেইটা বিয়া পাতিছিল। তেখেতৰ কিছুমান স্ত্ৰী অতি বিনম্ৰ আৰু সন্মানিত ঘৰৰ সৈতে সম্পৰ্ক ৰাখিছিল। তেখেতৰ এজনী স্ত্ৰীৰ নাম হালা বিনতে আউফ আছিল যিজনী হজৰত আব্দুৰ ৰহমান বিন আউফৰ কন্যা আছিল। হজৰত বিলাল (ৰাঃ)ৰ এজন ভাতৃ আছিল যাৰ নাম খালিদ আছিল আৰু এজনী ভনী আছিল যিগৰাকীৰ নাম আছিল গুফেৰা। ৰছুলে কৰীম (ছাঃ)য়ে কৈছে, হে বিলাল ছাবিকুল হাবশা হয়, অৰ্থাৎ হাবশাৰ  সকলোতকৈ প্ৰথম বিশ্বাস স্থাপনকাৰীৰ মাজৰ হয়।

উৰুৱা বিন জুবেৰৰ পৰা বৰ্ণিত যে, হজৰত বিলাল (ৰাঃ)যেতিয়া ইছলাম গ্ৰহণ কৰিলে তেতিয়া তেখেতক শাস্তি দিয়া হৈছিল যে, তেখেত নিজৰ দ্বীনৰ পৰা যেন পৰামুখ হয় কিন্তু তেখেত সেইলোকসকলৰ সন্মুখত কেতিয়াও সেই কলিমা কোৱা নাছিল যি সিহঁতে (শত্ৰুসকলে) বিচাৰিছিল অৰ্থাৎ আল্লাহ তা'লাক অস্বীকাৰ কৰা। যেতিয়া লোকসকলে হজৰত বিলাল (ৰাঃ)ক শাস্তি দিয়াত কঠোৰতা প্ৰয়োগ কৰে তেতিয়া হজৰত বিলাল (ৰাঃ) আহাদ আহাদ কৈছে,

এটা বৰ্ণনাত আছে যে, হজৰত বিলাল (ৰাঃ) যেতিয়া ঈমান আনিলে তেতিয়া হজৰত বিলাল (ৰাঃ)ক তেখেতৰ মালিকে ধৰি মাটিৰ ওপৰত শুৱাই দিয়ে আৰু তেখেতৰ ওপৰত পাথৰ আৰু গৰুৰ চামৰা ৰাখি দিয়ে আৰু কয়, তোমাৰ প্ৰতিপালক লাত আৰু উজ্জা (সকলোতকৈ ডাঙৰ প্ৰতিমাবোৰৰ নাম যাক সিহঁতে খোদা বুলি বিশ্বাস কৰিছিল)ৰ নাম লোৱা কিন্তু তেখেত আহাদ আহাদ কৈছিল, তেখেতৰ মালিকৰ ওচৰত হজৰত আবু বক্কৰ (ৰাঃ) যায় আৰু কয় কেতিয়ালৈকে তুমি এই ব্যক্তিক কষ্ট দি থাকিবা। হজৰত আবু বক্কৰ (ৰাঃ)য়ে হজৰত বিলালক সাত আউকিয়াত ক্ৰয় কৰি তেখেতক স্বাধীন কৰিলে। হজৰত আইশা (ৰাঃ)ৰ পৰা বৰ্ণিত যে, হজৰত আবু বক্কৰ (ৰাঃ) সাতজন এনেকুৱা কৃতদাসক স্বাধীন কৰে যিসকলক প্ৰচুৰ কষ্ট দিয়া

হৈছিল। সেইসকলৰ মাজত হজৰত বিলাল (ৰাঃ) আৰু হজৰত আমিৰ বিন ফহিৰা অন্তৰ্ভুক্ত আছিল। হজৰত জাবিৰ বিন আব্দুল্লাহৰ পৰা বৰ্ণিত যে, হজৰত ওমৰ (ৰাঃ)য়ে কৈছিল যে, আবু বক্কৰ আমাৰ চৰদাৰ হয় তেখেত আমাৰ চৰদাৰ,যিজনে হজৰত বিলাল (ৰাঃ)ক স্বাধীন কৰিছে।

হজৰত খলিফাতুল মছীহ ছানি (ৰাঃ)য়ে কৈছে, যেতিয়া খোদা তা'লাই মুছলমানসকলক মদিনাত নিৰাপত্তা দিলে আৰু সিহঁতে স্বাধীন ভাৱে উপাসনা কৰিব ধৰিলে তেতিয়া ৰছুলে কৰীম (ছাঃ)য়ে হজৰত বিলাল (ৰাঃ)ক আজান দিয়াৰ বাবে নিযুক্তি কৰিলে। এই হাবশী কৃতদাস যেতিয়া আজানত আশ্বহাদু আল্লা ইলাহা ইল্লাল্লাহু ৰ পৰিৱৰ্তে আছহাদু আল্লা ইলাহা ইল্লাল্লাহু কৈছে তেতিয়া মদিনাৰ লোকসকল যিসকলে তেখেতৰ বিষয়ে অৱগত নাছিল হাঁহি থাকিছে। এবাৰ হজৰত ৰছুলে কৰীম (ছাঃ)য়ে সেইলোকসকলক যিসকলে হজৰত বিলাল (ৰাঃ)ৰ আজান শুনি হাঁহি থকা দেখে তেতিয়া তেখেত (ছাঃ)য়ে সিহঁতৰ ফালে ঘূৰিলে আৰু কলে, বিলালৰ আজান শুনি তোমালোকে হাঁহি থাকা, কিন্তু খোদা তা'লা আৰশ্বৰ ওপৰত তেওঁৰ আজান শুনি আনন্দিত হয়। তেখেত (ছাঃ)ৰ ইঙ্গিত সেই ফালে আছিল যে, তোমালোকে এয়া দেখিবলৈ পোৱা যে,শ্বিন ক'ব নোৱাৰে কিন্তু শ্বিন আৰু ছিনত কি ৰাখিছে খোদা তা'লা জানে যে, যেতিয়া উত্তপ্ত বালিত উলঙ্গা পিঠিৰ সৈতে শুৱাই দিছিল আৰু তেখেতৰ বুকুৰ মাজত নিৰ্যাতনকাৰীসকলে নিজৰ জুতাৰ সৈতে ভৰি ৰাখিছে আৰু সুধিছে যে কি এতিয়া তুমি শিক্ষা লাভ কৰিছা নে নাই তেতিয়া হজৰত বিলাল (ৰাঃ)য়ে অস্পষ্ট ভাষাত আহাদ আহাদ  কৈ খোদা তা'লাৰ তৌহিদৰ ঘোষণা কৰি আছিল আৰু নিজৰ সহানুভূতি নিজৰ তৌহিদৰ আকিদা আৰু নিজৰ হৃদয় শক্তিশালী  প্ৰমাণিত কৰিছিল। অৰ্থাৎ তেখেতৰ আছহাদু বহু লোকসকলৰ আশ্বহাদুতকৈয়ো মূল্যবান আছিল। হজৰত বিলাল (ৰাঃ)প্ৰাথমিক সকলৰ অন্তৰ্ভুক্ত হয় তেখেত সেই সময় ইছলামৰ ঘোষণা কৰে যেতিয়া মাথোঁ সাতজনৰ ইছলাম ঘোষণা কৰাৰ সৌভাগ্য হৈছিল।

হজৰত খলিফাতুল মছীহ ছানি (ৰাঃ)হজৰত বিলাল (ৰাঃ) প্ৰাথমিক যুগত ঈমান অনাৰ কথা উল্লেখ কৰি এই কথা বৰ্ণনা কৰে যে, হজৰত খাবাব (ৰাঃ) যি প্ৰাথমিক চাহাবাসকলৰ অন্তৰ্ভুক্ত আছিল। যাৰ সম্পৰ্কে ইখতিলাফ (মতভেদ)আছে যে, তেখেত প্ৰথমে বয়াত কৰিছে নে হজৰত বিলাল প্ৰথমে বয়াত কৰিছে কাৰণ ৰছুলে কৰীম (ছাঃ)য়ে কৈছে যে, এজন কৃতদাস আৰু এক হুৰ য়ে পোনপ্ৰথমে মোক গ্ৰহণ কৰে। কিছুমান লোকে তাৰ অৰ্থ হজৰত বিলাল (ৰাঃ) আৰু হজৰত আবু বক্কৰ (ৰাঃ)অৰ্থ কৰে, আৰু কিছুমানে কয় যে,ইয়াৰ অৰ্থ হজৰত আবু বক্কৰ আৰু হজৰত খাবাব হয়।

**তবকাতুল কুবৰাত** লিখা আছে যে, হজৰত বিলাল ৰছুলে কৰীম (ছাঃ)ৰ সৈতে বদৰ,উহুদ আৰু খনদকসহ গোটেইবোৰ যুদ্ধত অংশ গ্ৰহণ কৰিছিল। বদৰৰ যুদ্ধত হজৰত বিলাল (ৰাঃ)য়ে উমায়া বিন খালফক হত্যা কৰে যিজন ইছলামৰ ডাঙৰ শত্ৰু আছিল আৰু হজৰত বিলাল (ৰাঃ)ক ইছলাম গ্ৰহণ কৰাৰ ফলত বহু কষ্ট দিছিল।  উমায়া বিন খালফৰ হত্যাৰ ঘটনা ছহী বুখাৰীত বৰ্ণনা আছে যি খাবিব বিন ইছাফৰ উল্লেখৰ সময়ত বৰ্ণনা কৰা হৈছে।

এটা বৰ্ণনাত এয়া আছে যে, হজৰত বিলাল (ৰাঃ)ৰছুলে কৰীম (ছাঃ)ৰ ছেক্ৰেটাৰী আছিল। হজৰত আনছ বিন মালিক বৰ্ণনা কৰিছে যে, ৰছুলে কৰীম (ছাঃ)য়ে মোক কৈছে যে, মোক খোদাৰ খাতিৰত ইমান কষ্ট দিয়া হৈছে যি আন কাৰোবাক দিয়া হোৱা নাই। মোক আল্লাহৰ খাতিৰত ইমান ভীতিমূলক কৰিছে যি আন

কাৰোবাক ভীত কৰা হোৱা নাই আৰু তৃতীয় ৰাতি আহিছে যে, মোৰ আৰু বিলালৰ ওচৰত এনেকুৱা খাদ্যৰ যোগাৰ হোৱা নাছিল যাক কোনো প্ৰাণীয়ে খাব পাৰে কিন্তু ইমান, যাক বিলালৰ তৰফৰ পৰা গোপন কৰিব পাৰে।

হজৰত বিলাল (ৰাঃ)ক সকলোতকৈ প্ৰথম মুৱাজ্জিন হোৱাৰ সৌভাগ্য হৈছে। হজৰত বিলাল (ৰাঃ) ৰছুলে কৰীম (ছাঃ)ৰ গোটেই জীৱন তেখেত (ছাঃ)ৰ বাবে ভ্ৰমণ আৰু উপস্থিতিত মুৱাজ্জিন থাকিছে আৰু তেওঁ ইছলামৰ প্ৰথম ব্যক্তি আছিল যিজনে আজান দিছিল।

মহম্মদ বিন আব্দুল্লাহ বিন জায়েদ নিজৰ দেউতাৰ পৰা বৰ্ণিত তেওঁ বয়ান কৰিছে যে,ৰছুলে কৰীম (ছাঃ)য়ে নামাজৰ আহ্বানৰ বাবে বিগলৰ কথা ভাৱিলে আকৌ নাকুছ (পূজাৰ সময়ত যি শিং বজায়)ৰ ইৰশ্বাদ কৰিলে,অৰ্থাৎ সেয়া তৈয়াৰ কৰা হ'ল, আকৌ হজৰত আব্দুল্লাহ বিন জায়েদক সপোন দেখুৱা হয় তেওঁ কয় যে, মই সপোনত এজন ব্যক্তিক দেখিলোঁ যাৰ ওপৰত দুখন নীলা কাপোৰ আছিল আৰু সেই ব্যক্তি নাকুছ উঠোৱাই আছিল মই তেওঁক সপোনতে কলো, হে আল্লাহৰ ভৃত্য! তুমি এই নাকুছ বিক্ৰি কৰিবা নে ? তেওঁ কলে তুমি ইয়াক কি কৰিবা, মই কলো মই ইয়াৰ জৰিয়তে নামাজৰ বাবে আহ্বান কৰিম। তেওঁ কলে মই তোমাক ইয়াতকৈ উত্তম কথা কম। মই কলো সেয়া কি তেওঁ আজানৰ শব্দবোৰ শুনালে। বৰ্ণনাকাৰীয়ে কয় যে, আব্দুল্লাহ বিন জায়েদ ওলালে আৰু তেওঁ ৰছুলে কৰীম (ছাঃ)ৰ ওচৰলৈ গ'ল আৰু তেখেত (ছাঃ)ক নিজৰ সপোনৰ কথা শুনালে। ৰছুলে কৰীম (ছাঃ)য়ে চাহাবাসকলক কলে তোমালোকৰ বন্ধুৱে সপোনত দেখিছে। আকৌ আব্দুল্লাহ বিন জায়েদক ইৰশ্বাদ কৰিলে তুমি বিলালৰ সৈতে মছজিদলৈ যোৱা আৰু তেওঁক এই কলিমাবোৰ কৈ থাকা আৰু তেওঁ এয়া উচ্চস্বৰত কৈ থাকে যেন, কাৰণ তোমাতকৈ বিলালৰ ধ্বনি উচ্চস্বৰ। হজৰত আব্দুল্লাহ বিন জায়েদে কলে, মই বিলালৰ সৈতে মছজিদৰ ফালে গলো আৰু মই তেওঁক এই কলিমাবোৰ কৈ থাকিলো আৰু বিলাল (ৰাঃ) উচ্চস্বৰত এই কলিমাবোৰ কৈ থাকিল। যেতিয়া বিলাল এই শব্দবোৰৰ সৈতে প্ৰথম বাৰ আজান দিলে তেতিয়া হজৰত ওম (ৰাঃ)য়ে সেয়া শ্ৰৱণ কৰি অতি সোনকালে তেখেত (ছাঃ)ৰ ওচৰলৈ আহে আৰু কলে, হে ৰছুলুল্লাহ (ছাঃ) আজি যি শব্দবোৰ কৈ বিলাল আজান দিছে এইবোৰ শব্দাৱলী মইয়ো সপোনত দেখিছোঁ আৰু এক বৰ্ণনাত এয়া আছে যে, যেতিয়া আঁ-হজৰত (ছাঃ)য়ে আজানৰ শব্দাৱলী শুনিলে তেতিয়া কলে যে, এইমতে ওহীও হৈছে। অৰ্থাৎ এইদৰে আজানৰ তৰিকা (পদ্ধতি) জাৰী হৈ গ'ল। এই পদ্ধতি এনেকুৱা কল্যাণমণ্ডিত আৰু হৃদয়প্ৰসূ যে,কোনো দ্বিতীয় পদ্ধতি ইয়াৰ সৈতে তুলনা কৰিব নোৱাৰে। অৰ্থাৎ প্ৰত্যেক দিন পাঁচ ওৱাক্ত ইছলামী দুনিয়াত প্ৰত্যেক চহৰ প্ৰত্যেক গাঁৱত প্ৰত্যেক মছজিদৰ পৰা খোদাৰ তৌহিদ আৰু মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ ৰিছালতৰ ধ্বনি উচ্চ হৈ আছে আৰু ইছলামী শিক্ষাৰ সাৰাংশ সৌন্দৰ্যময় আৰু সংক্ষিপ্ত শব্দাৱলীত লোকসকল পাই আছে।

মুছা বিন মহম্মদ নিজৰ পিতৃৰ পৰা বৰ্ণনা কৰে যে, হজৰত বিলাল যেতিয়া আজান দি নবী কৰীম (ছাঃ)ক প্ৰতিবেদন দিব ইচ্ছা কৰিছে তেতিয়া তেখেত (ছাঃ)ৰ দৰজাৰ সন্মুখত থি হৈ কৈছে, হাইয়া আলাছ ছালাহ হাইয়া আলাল ফালা আচ্ছালাত ইয়া ৰাছুলুল্লাহ, অৰ্থাৎ নামাজৰ বাবে আহঁক, আৰু সাফল্যমণ্ডিতৰ বাবে আহঁক, নামাজ ইয়া ৰছুলুল্লাহ । যেতিয়া ৰছুলুল্লাহ (ছাঃ) নামাজৰ বাবে আহিছে আৰু হজৰত বিলাল দেখা

পাইছে তেতিয়া একামত আৰম্ভ কৰি দিছে।

হজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে,এয়া স্পষ্ট নহয়, একামত সেই সময়ত দিয়া হয় যেতিয়া ইমাম মেহৰাবত আহে। ছুনন ইবনে মাজাত হজৰত বিলালৰ পৰা বৰ্ণিত যে, তেওঁ ফজৰৰ নামাজৰ প্ৰতিবেদন দিয়াৰ বাবে নবী কৰীম (ছাঃ)ৰ ওচৰত উপস্থিত হৈছে তেখেতক কোৱা হৈছে আপুনি শুই আছে তেতিয়া হজৰত বিলাল (ৰাঃ) য়ে কৈছে, আচ্ছালাতু খায়ৰুম মিনান নাউম,আচ্ছালাতু খায়ৰুম মিনান নাউম,তাৰ পিছত ফজৰৰ আজানৰ সৈতে এই কলিমা যোগ দিয়া হ'ল আৰু এই পদ্ধতি প্ৰতিষ্ঠিত থাকিল। আন এক বৰ্ণনাত আছে যে,ৰছুলে কৰীম (ছাঃ)য়ে কৈছে,হে বিলাল এয়া কিমান ধুনীয়া কলিমা হয় তুমি এই কলিমা ফজৰৰ আজানৰ সৈতে যোগ দিয়া। ৰছুলে কৰীম (ছাঃ)ৰ তিনিজন মুৱাজ্জিন আছিল। হজৰত বিলাল,আবু মাহজুৰা আৰু ওমৰু বিন উম্মে মকতুম।

খোতবা জুমাৰ শেষত হজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, এতিয়া আৰু অলপ কিছু উল্লেখ কৰা বাকী আছে যি ইনশ্বা আল্লাহ পৰৱৰ্তীত উল্লেখ কৰিম। তাৰ পিছত হজুৰ আনোৱাৰ (আইঃ)য়ে প্ৰিয় ৰাউফ বিন মকছুদ জুনিয়ৰ বেলজিয়ম জামিয়া আহমদীয়া ইউ,কে ৰ ছাত্ৰ, মাননীয় জাফৰ ইকবাল কুৰাইশী চাহাব প্ৰাক্তন নায়েব আমিৰ জিলা ইছলামাবাদ, আনিৰবেল কাবিলে কাওৱাজা চাহাব আফ ছিনেগাল আৰু মাননীয় মুবাশ্বিৰ লতিফ চাহাব এডভোকেট ছুপৰিম কোৰ্ট পাকিস্তান হাল কেনেডাৰ উল্লেখ কৰে আৰু মৰহুমিনসকলৰ বাবে উচ্চ মৰ্যাদাৰ বাবে আৰু মাগফিৰতৰ বাবে দোৱা কৰে আৰু কয় যে, নামাজ জুমাৰ পিছত এই সকলৰ নামাজে জানাজা গায়েব পঢ়িম।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلاَ ھَادِیَ لَہٗ وَنَشْھَدُ أَنْ لَّآ اِلٰہَ اِلاَّ اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**KHULASA KHUTBA JUMA HAZOOR ANWAR (aba) 11 SEPTEMBER-2020**

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**